# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 28-04-2026

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অহা ৪ মে'ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰা হৈছে। এনে প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল আজি নগাওঁ জিলাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু দচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰুম আৰু ভোটগণনা কক্ষসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত বিষয়াগৰাকীয়ে ভোটগণনা কেন্দ্ৰসমূহৰ সামগ্ৰিক আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি গণনাৰ দিনা নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীসকলৰ সুবিধা তথা জৰুৰীকালীন ব্যৱস্থাৱলীসমূহ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰে। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰতিটো কক্ষতে যাতে কোনো ধৰণৰ বিসংগতিয়ে দেখা নিদিয়ে সেই সন্দৰ্ভত তেওঁ জিলা প্ৰশাসন আৰু নিৰ্বাচনী বিষয়াসকলৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰে।

ইফালে, মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে মৰিগাঁও জিলা ভ্ৰমণ কৰি জিলাখনত ভোটগণনা প্ৰস্তুতিৰ বুজ লয়। পৰিদৰ্শন কালত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে ষ্ট্ৰং ৰুম আৰু গণনা কক্ষসমূহৰ সুৰক্ষা ব্যৱস্থাৰ বুজ লোৱাৰ লগতে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ভোটগণনা কক্ষৰ সকলো যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে।

আনহাতে, ভোটগণনা প্ৰস্তুতিৰ অংশ হিচাপে আজি কোকৰাঝাৰ জিলাত কাউণ্টিং ছুপাৰভাইজাৰ, গণনা সহায়ক আৰু মাইক্ৰ' অবজাৰভাৰসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। কোকৰাঝাৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যৰ লগতে গণনা প্ৰক্ৰিয়াৰ সকলো গুৰুত্বপূৰ্ণ দিশৰ বিষয়ে বিতংভাৱে অৱগত কৰা হয়। একেদৰে শিৱসাগৰ জিলা প্ৰশাসনে জিলাখনৰ তিনিওটা সমষ্টিত নিৰ্বাচনী কোষ, ভোটগণনা কক্ষসমূহ ইতিমধ্যে সাজু কৰি তুলিছে। গণনা প্ৰক্ৰিয়াৰ বাবে নিয়োজিত মুঠ ২২৬ গৰাকী গণনা  নিৰীক্ষক, গণনা সহায়ক, পৰ্যবেক্ষকসকলক আজি শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কাইলৈ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৰাজ্যখনত ৭ খন জিলাৰ ১৪২ টা সমষ্টি সামৰি লোৱা হ'ব। দ্বিতীয় পৰ্যায়ত ৩ কোটি ২০ লাখৰো অধিক ভোটদাতাই এহেজাৰ ৪৪৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কেন্দ্ৰীয় বাহিনীৰ দুহেজাৰ ৩২১ টা কোম্পানী নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ১৪২ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৯৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১০০ গৰাকী ব্যয় পৰ্যবেক্ষকক নিৰ্বাচনী দায়িত্বত নিয়োজিত কৰা হৈছে। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে দ্বিতীয় পৰ্যায়ত ৪১ হাজাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ফাষ্ট ট্ৰেক আদালতে আজি অন্যতম প্ৰধান অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত বিবেচনা কৰে। আদালতে আবেদনখন সন্দৰ্ভত অহা ২ মে'ত জামিন ৰায়দান কৰিব। শুনানি কালত আজি জুবিন গাৰ্গৰ সকলো সম্পত্তি গৰিমা গাৰ্গৰ নামলৈ হস্তান্তৰৰ বাবেও আবেদন জনোৱা হয়। গৰিমা গাৰ্গে আদালত চৌহদত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এইদৰে কয়।

বাইট

০০০০

বতৰ বিজ্ঞান বিভাগে বৰাক উপত্যকাৰ শ্ৰীভূমি, হাইলাকান্দি, ডিমা হাছাও, কাছাৰৰ বিভিন্ন প্ৰান্তত অহা ২৪ ঘণ্টাত প্ৰতি ঘণ্টাত ৫০ৰ পৰা ৬০ কিলোমিটাৰ বেগেৰে ধুমুহা-বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। তদুপৰি গুৱাহাটী মহানগৰীতো অহা দুই-তিনিদিন ধৰি মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এনে বতৰৰ পৰিপ্ৰেক্ষিতত ঠায়ে ঠায়ে পানী জমা হোৱা, যান-বাহন চলাচলত বাধা জন্মাৰ লগতে কিছু অঞ্চলত ভূমিস্খলন হোৱাৰ আশংকাই দেখা দিছে।

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই আজি বৰষুণৰ আশংকা সন্দৰ্ভত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত ডাঙৰ নলা সমূহৰ বোকা আতৰোৱা, পাম্পিং ব্যৱস্থাসমূহৰ সক্ৰিয়তা আৰু ভৰলু নৈৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথক সংযোগ কৰা অন্য নলাসমূহৰ গাৰ্ড ৱাল নিৰ্মাণত গুৰুত্ব আৰোপ কৰা হয়।

০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে দৰং জিলাত অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই লোক আদালতৰ জৰিয়তে বিভিন্ন ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা সম্পৰ্কীয় গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বেংকৰ লেনদেন সম্পৰ্কীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাচুল সম্পৰ্কীয় বিবাদসমূহো নিষ্পত্তি কৰা হ'ব। জনসাধাৰণৰ সুবিধাৰ্থে এনে গোচৰসমূহৰ আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে। জিলাখনৰ আগতীয়াকৈ জাননী লাভ কৰা লোকসকলে জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰি অথবা ই-মেইলযোগে এই সুবিধা ল'ব পাৰিব। জাননী লাভ নকৰা লোকসকলে দৰং জিলা কোষাগাৰৰ সমীপত থকা জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ত যোগাযোগ কৰি বিবাদ নিষ্পত্তিৰ সুবিধা ল'ব পাৰিব।

নলবাৰী জিলাতো অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব বুলি নলবাৰী জিলা আইন সেৱা প্ৰাধীকৰণে জনাইছে। লোক আদালতৰ জাননী পোৱা সকলো লোককে এই প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে প্ৰাধীকৰণে আহ্বান জনাইছে।

০০০০

ঃঃ সমাপ্ত ঃঃ